# নগাঁও জিলাৰ কঠিয়াতলি উপসংমণ্ডল চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সন্থা আৰু তিনিবছৰীয়া কাৰ্য্যকালৰ এভুমুকি

শ্ৰীশিশুৰাম ডেকা

নগাওঁ জিলাৰ কঠিয়াতলিত বৈদ্যুতিক উপ-সংমণ্ডল আৰম্ভ হোৱাৰ পাছৰে পৰা অভিযন্তা-সকলৰ বাহিৰে সকলো সকলো কৰ্মী আৰু কৰ্মচাৰীৰ এটাই মাত্ৰ কৰ্মী সন্থাৰ অন্তৰ্ভুক্ত আছিল। এনেদৰে কেই বছৰমান যোৱাৰ পাছত সন্থাৰ মাজুত মতানক্যাই দেখা দিয়ে। বিষয়া সকলে সাধাৰণ কৰ্মচাৰী সকলক শাসন আৰু শোষণৰে পৰিচালনা কৰিব ধৰিলে। সন্থাৰ বিষয় ববিয়াই দেখিও নেদেখা শুনিও নুশুনা ভাও ধৰিলে। উপায় অন্তৰ হৈ সাধাৰণ কৰ্ম-চাৰী ইয়াৰ বিকল্প বিচাৰিলে। এই বিষয়ে এদিন মই পৰিষদৰ চতুৰ্থশ্ৰেণীৰ কৰ্মচাৰী সন্থাৰ মুখ্য কাৰ্য্যালয়ত আলোচনা কৰাত কেন্দ্ৰৰ পৰা কেইজনমান সদস্য আহি তেখেত সকলৰ লগত আলোচনা কৰি প্ৰায় সকলো কৰ্মীয়েই চঃ শ্ৰেঃ কঃ সন্থাত অন্তৰ্ভুক্ত হৈ কঠিয়াতলিত এটা শাখা আৰম্ভ কৰি দুৰ্নীতিৰ বিৰুদ্ধে যুজ কৰি যোৱাৰ সংকল্পবদ্ধ হৈছিল।

প্ৰথম সভাখন পাতিবৰ বাবে উপ-সংমণ্ডল বিষয়াৰ পৰা অনুমতি বিছৰা হৈছিল যদিও বিষয়াই কোনো কক্ষ বা কোনো সময় দিব নোৱাৰো বুলি স্পষ্টকৈ প্ৰকাশ কৰাত সেইদিনা সভাখন পাতিব পৰা নহল, কিন্তু তাৰ পাছৰ দিনা অৰ্থাৎ ইং ৭।৪।৮৬ তাৰিখে কঠিয়াতলি নিয়ন্ত্ৰন কক্ষৰ এলেকাত থকা এজোপা কঠাল গছৰ তলতে জিৰণিৰ সময়ত প্ৰায় ১৮ জন সদস্যই এক গোট হৈ এখন কমিটি গঠন কৰিলে। সন্থাৰ প্ৰথম সভাত ৫টা গৃহীত প্ৰস্তাৱ লৈ নগাওঁ বৈঃ অধীক্ষক অভিযন্তালৈ প্ৰেৰণ কৰা হয়। অঃ অভিযন্তা দেৰে পলমকৈ হলেও আলোচনাৰ বাবে সন্থাক আমন্ত্ৰণ জনাইছিল, আৰু উক্ত প্ৰস্তাৱ সমূহৰ ওপৰত আলোচনা কৰি প্ৰায় অধিক অংশ প্ৰস্তাৱ সমূহৰ ওপৰত আলোচনা কৰি প্ৰায় অধিক অংশ প্ৰস্তাৱৰেই সুফল পোৱা হৈছিল। বাকী প্ৰস্তাৱ কেইটাৰো সুফল পোৱা যাব বুলি সন্থাক আশা দিছিল। সেইদিনা আলোচনাত চামুণ্ডৰি, লংকা শাখাৰ উপৰিও কেন্দ্ৰীয় সন্থাৰ বিষয় ববীয়া সকলো উপস্থিত আছিল।

কঠিয়াতলি সন্থা গঠন হোৱাৰ পাছৰ পৰা সদস্য সংখ্যা বাঢ়ি গাহি বৰ্তমান ৫০

জনলৈ বৃদ্ধি পালে, দিনক দিনে নতুন নতুন সমস্যা আহি সন্থাৰ মাজত ভাবুকিৰ সৃষ্টিৰে দেখা দিলে। প্ৰথম অৱস্থাত সন্থাৰ সম্পাদক শ্ৰীধিৰেন বৰাক বদলিৰ আদেশ দিয়া হৈছিল। ইয়াৰ কেইমাহ পিছতে আকৌ সভাপতি শ্ৰীঅশ্বিনী বৰাক বদলিৰ আদেশ দিয়া হৈছিল। এই দুয়ো বদলিৰ আদেশ সন্থাৰ জৰিয়তে ৰদ কৰা হৈছিল কিন্তু সভাপতি শ্ৰী বৰাক কেইবা মাহলৈকে উঃ সং বিষয়াই কোনো কামত মকৰল কৰা নাছিল। সন্থাৰ সভাপতিৰ চাকৰিৰ খতিয়ান খনো কাৰ্য্যালয়ৰ ভিতৰতে অন্তৰ্ধ্যান হৈ পৰিল। বিশেষভাৱে মন কৰিবলগীয়া কথা, সন্থাৰ উপদেষ্টা শ্ৰীশিশুৰাম ডেকাক কৰ্ম্মৰ পৰা নিলম্বিত কৰি ৰাখে। আৰু এনেকৈয়ে শোষণ আৰু শাসনেৰে সন্থাৰ ভাৱমূৰ্ত্তি বিনষ্ট কৰিব বিছৰা হৈছে।

বৰ্ত্তমান সন্থাই কঠিয়াতলি উঃ সংঃ বিষয়াৰ বিৰুদ্ধে কেইবাটাও অভিযোগ দাখিল কৰা হৈছে। অভিযোগ সমূহ এনে ধৰণৰ—

(ক) বিল নং— ১৪৩২ ৰ টকা— ২১৭·০০ টকা।
(খ) ,, ,,— ১৭০১ ৰ টকা— ২২৭·০০ ,,
(গ) ,, ,,— ৪২৮ ৰ ,, — ৬৩৪৪·০০ ,,
(ঘ) ,, ,, — ১৪১৩ ৰ " — ৪৯৭·০০ ,,
(ঙ) অঃ অঃ মঞ্জোৰ এচ, ই, এ, চেক ২৩-৮৬-৯২৯ তাং— ১৭/৩/৮৬
লেবাৰ খৰচ— ৭৫২২·১৩ টকা
বিভাগীয় খৰচ— ৭৫২২·১৩ টকা
মুঠ— ১৫,০৪৪·২৬ টকা

উক্ত কামখিনি পৰিষদৰ কৰ্মচাৰীৰ দ্বাৰা কৰোৱা হয়, কিন্তু ঠিকাদাৰৰ নামত বিষয়া জনে আত্মস্বাদ কৰে। ইয়াৰ উপৰিও পৰিষদৰ গাড়ী তেখেতৰ ব্যক্তিগত কামত ব্যৱহাৰ কৰি ফুৰে আৰু বহুতো অভিযোগ আছে। এই সন্দৰ্ভত পৰিষদৰ ভিজিলেঞ্চ বিষয়াই আহি অনুসন্ধান কৰি গৈছে। ভুৰখা মহলৰ মতে উক্ত বিষয়াজন কঠিয়াতলিত থাকিলে অনুসন্ধানত অসুবিধা অহাৰ সম্ভাৱনা আছে। সেয়েহে উঃ সংঃ বিষয়াজনক বদলিৰ আদেশ দিয়া হৈছে। এই আদেশ পাই বিষয়াজনে নেতা পালিনেতাৰ আশ্ৰয় লৈ পাৰিবাৰিক কিছু অসুবিধা দেখুৱাত পৰিষদে পুনৰ বালিপাৰালৈ বদলিৰ আদেশ দিয়ে।

এইখিতে পৰিষদত দেখা দিয়া সমস্যা আন এটা হৈছে, পৰিষদৰ নিয়ম অনুসৰি ৮ বছৰৰ মূৰে মূৰে কৰ্ম্মচাৰী সকলে প্ৰমোচন পাব লাগে। কিন্তু লাইন সহায়ক সকলে অনুজ্ঞা পত্ৰ থকা স্বত্তেও ১৭/১৮ বছৰলৈকে প্ৰমোচন পোৱা হোৱা নাই। এটা লাইন মেৰামতিৰ



OKDISCD

ক্ষেত্ৰত এজন লাইনমেন আৰু দুজন সহায়কৰ প্ৰয়োজন, কিন্তু দেখা গৈছে, কোনো কোনো অঞ্চলত এজন সহায়কক দায়িত্ব দিয়ে। এনে ক্ষেত্ৰত সঘনাই ট্ৰেন্সফৰ্মাৰবোৰ নষ্ট হৈ পৰিষদৰ হাজাৰ হাজাৰ টকা ক্ষতি হব লাগিছে।

সেয়েহে পৰিষদলৈ অনুৰোধ জনাওঁ যে, পৰিষদৰ বিষয়ববিয়া সকলে ভাতৃতৰ মনোভাবেৰে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলক খাপ খুৱাই লব পাৰিলেহে এখন নিকা সুস্থ সবল পৰিষদ গঠন কৰাত সহায় হব।

বৰ্ত্তমান চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ একতাৰ বৰ প্ৰয়োজন হৈ পৰিছে। আৰু সন্থাই মত পোষন কৰে যে, আমি কোনো ভাবুকীলৈ ভয় নকৰি সংবিধানক সন্মান জনাই অন্যায়ৰ বিৰুদ্ধে মাত মাতি যাম আৰু এখন নিকা পৰিষদ গঠন কৰাত সকলো প্ৰকাৰৰ সহায় সহযোগ আগবঢ়াম। এই ঐক্য যিমানেই আগবাঢ়ি যাব অন্যায়ৰ শোষন আৰু শাসন সিমানেই আঁতৰি ন্যায্য পাপ পথ মুকলি হৈ যাব। আহক আমি ঐক্যবদ্ধ হৈ কৰ্ত্তব্যৰ মাজেৰে সংতাক আগতলৈ ৩ত পৰি থকা হাহিঁৰ তোপোলাবোৰ শান্তিৰে জাতি বৰ্ণ নিৰ্বিশেষে ভগাই লও। ●

---

*With Best Compliments*

**For best quality of Transformars of any capacity.**
Please enquire.—
From

# M/S EASTERN ELECTRICALS

**G.S. Road, Gauhati—5**
Telephone No. 24223
32107
27390

OKDISCD